অসম বিধান সভা

তৰা চিহ্নীত প্ৰশ্ন নং : ১৪

উত্তৰ দিবলগীয়া তাৰিখ : ০৬/০৭/২০২৬

বিষয় : **পকি (PUCCA/RCC) দলং নিৰ্মাণ সম্পৰ্কে**

বিধায়ক : শ্ৰী মজিবুৰ ৰহমান :

মাননীয় লোক নিৰ্মাণ (পথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ২০২৪ চনৰ এপ্ৰিল মাহতে দলগাঁও সমষ্টিৰ দুখন পকী দলং নিৰ্মাণ কৰি দিবৰ বাবে পত্ৰ দিছিলো । সেই দলং দুখন নিৰ্মাণ কৰিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে নেকি ? যদি লৈছে, কেতিয়ালৈকে উক্ত দলং দুখনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব ?

(খ) দলগাঁও আৰু ওদালগুৰি জিলাৰ পুৰণা কলাইগাঁও বিধানসভা সমষ্টিৰ মাজত সংযোগী বৰুৰাঝাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ১/২নং বৰুৰাঝাৰ গাঁৱৰ আমতলাত থকা (Missing Link) ত আৰ. চি. চি (RCC BRIDGE OVER TANGNI RIVER) দলং খন দুয়োটা সমষ্টিৰ বৃহৎ সংখ্যক স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণৰ যাতায়ত সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ লোক নিৰ্মাণ বিভাগে নিৰ্মাণ কৰাৰ কিবা পদক্ষেপ গ্ৰহণ কৰিব নেকি ? তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

::উত্তৰ::

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

(ক) ১) মৰাবেগাৰ পৰা গালন্দিকাশ সংযোগী ১/১ নং আৰ.চি.চি. (R.C.C) দলং খন ২০২৫-২৬ বৰ্ষৰ বাবে নাবাৰ্ড (NABARD)ৰ আৰ. আই.ডি.এফ.-৩১ (RIDF-XXXI)ৰ অধীনত, 'মুখ্যমন্ত্ৰীৰ উন্নত পকী পথ নিৰ্মাণ আঁচনি' (MMUPPNA)-ৰ যোগেদি অনুমোদিত হৈছে। এই কামটোৰ কাৰ্য্যা দেশ (work order) জাৰি কৰা হৈছে আৰু সেই অনুসৰি কাম আৰম্ভ হৈছে।

২) বৰুৰাঝাৰ গাঁৱৰ আমতলাস্থিত টাঙনি নদীৰ ১/২ নং RCC দলং খন নিৰ্মাণৰ বাবে এতিয়ালৈকে কোনো আঁচনিৰ অধীনত পুঁজিৰ অনুমোদন হোৱা নাই ।

(খ) দলগাঁও আৰু ওদালগুৰি জিলাৰ পুৰণা কলাইগাওঁ বিধানসভা সমষ্টিৰ মাজত সংযোগী বৰুৰাঝাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ১/২ নং বৰুৰাৰুৰ গাঁৱৰ আমতলাত থকা Missing Link ত আৰ. চি.চি (RCC BRIDGE OVER TANGNI RIVER) দলং খনৰ নিৰ্মাণৰ বিষয়টো পুঁজি, অগ্ৰাধিকাৰ, ভূমি অধিগ্ৰহনৰ প্ৰয়োজনীয়তা ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰিব ।

(The Reply uploaded in the Portal)

---xxx---